মুখত এটা হাঁহি মাৰি ক'লে— "তই এতিয়া চাহ-তাহ অলপ খাই ল' আৰু খাই উঠি কামত ধৰ।"

"মইনো কি কাম কৰিব লাগে আইতা" বুলি কবহে পালোঁ, জেতুকী বুঢ়ীয়ে লচ্ পচ্ কৰি এবাৰ ইফালে এবাৰ সিফালে গৈ বিয়া ঘৰ এখনত আগতীয়াকৈ যিবোৰ কাম কৰিব লাগে তাৰ এখন দীঘলীয়া তালিকা দিলে।

"তোৰে মোৰে বিয়া নেকি আইতা" বুলি এইবাৰ মই আইতাকে জোকালোঁ। খাইভাই মুখৰ ভিতৰতে ভোৰ ভোৰাই বোধকৰো মোক সাতপুৰুষ উজাৰি গালি পাৰিলে।

জেতুকী বুঢ়ী আমাৰ কোনো নহয়। কিন্তু সেই অঞ্চলত যেতিয়াই বিয়া-সবাহ আদি হয় জেতুকী বুঢ়ী তাত এবাৰ নোৱাৰা অঙ্গ হৈ পৰেগৈ। বুঢ়ীক কোনেও বেয়াও নাপায়। বৰং কেতিয়াবা অসুখ-বিসুখ হৈ জেতুকী বুঢ়ী অনুপস্থিত থাকিলেহে সকলোৱে ইস্-আস্ কৰি দুখ প্ৰকাশ কৰে। বুঢ়া মানুহ হিচাপে ক'ত কি লাগে-নেলাগে আদি দিহা পৰামৰ্শ দিয়াত জেতুকী বুঢ়ীৰ ওপৰত আৰু গাঁৱত কোনো নাই। ককাইদেউৰ বিয়া পতা বুলি শুনি, সেয়ে জেতুকী বুঢ়ীৰ আমাৰ ঘৰলৈ আগমন।

ককাইদেউৰ বিয়া! ঘৰখনত দুটি প্ৰাণীৰ ঠাইত আমি তিনিটা প্ৰাণী হ'ম। কি যে আনন্দ হ'ব। নবৌজনী বাৰু দেখাত কেনেকুৱা হ'ব? জেতুকী বুঢ়ীয়ে কোৱাৰ দৰে সঁচাই পূৰ্ণিমাৰ জোনটোৰ দৰে হ'বনে? এটি সুন্দৰ সাজেৰে নবৌ গৰাকীৰ ছবি মোৰ মনত ভাহি উঠিল।

এদিন ককাইদেউৰ বিয়া হৈ গ'ল। পুৰোহিতৰ মন্ত্ৰ, আয়তীসকলৰ জাক-জাক বিয়ানাম, বেণ্ডত বাজি উঠা সুললিত সুৰ, বিয়া ঘৰত থূপ খোৱা জাক-জাক মানুহৰ অহা-যোৱা, কথা কোৱা আদি এটা উদুলি-মুদুলি পৰিবেশৰ মাজত দুখন হিয়া এখন হৈ গৈছিল। পাতনি মেলিছিল এক নতুন জীৱনৰ, ককাইদেউ আৰু নবৌৱে।

নবৌজনী সঁচাকৈয়ে ধুনীয়া আছিল। নিৰহঙ্কাৰী, সহজ-সৰল আৰু মৰমিয়াল স্বভাৱে নবৌক আৰু সুন্দৰ কৰি তুলিছিল। নবৌৰ অকৃত্ৰিম মৰমৰ মাজত মই কোনোদিনে নেদেখা মা-ক যেন বিচাৰি পাইছিলোঁ। নবৌৰ মৰম আৰু ভাল পোৱাৰ মাজত যেতিয়া মই মাৰ প্ৰতিচ্ছবিটো কল্পনা কৰো মোৰ মন আনন্দত নাচি উঠে। অকপট মৰমেৰে দুবাই ৰাখিব পৰা নবৌৰ ওচৰত মই পাঁচ বছৰীয়া শিশুটো হৈ পৰো। মোৰ শ্ৰদ্ধা, ভক্তি আৰু ভাল পোৱাৰ মাজত নবৌৱেও চাগৈ এৰি অহা ঘৰখনৰ কথা অলপ হলেও পাহৰি পেলায়।

কিন্তু! কিন্তু! ··· । মানুহে কি যে নেভাবিলে। নবৌ আৰু মোৰ মাজত গঢ়ি উঠা অকৃত্ৰিম মৰমৰ মাজত মানুহখিনিয়ে বিচাৰি পালে কামনাৰ গোন্ধ—কিবা বোলে-বেয়া সম্বন্ধ। মানুহখিনিৰ কথা বাৰু এৰিলোৱে, কিন্তু ককাইদেউ! ককাইদেউৱে । কেঁচুৱা কালৰেপৰাই পিতৃ স্বৰূপ জ্ঞান কৰি অহা ··· ···। যিজনে মোক এতিয়ালৈকে পঢ়াই শুনাই আছে ডাঙৰ মানুহ কৰিম বুলি —। সেই জনেও । সেইজন ককাইদেৱেও মোৰ ওপৰত সন্দেহৰ বীজ ৰোপণ কৰিলে। ছিঃ ছিঃ মই যেন জীয়াই থকাই অনুচিত। মোৰ ওপৰত সন্দেহ কৰিয়ে ক্ষান্ত নাথাকি ককাইদেৱে

নবৌক সন্দেহ কৰিব ললে। আনকি মোৰ সমুখতে ককাইদেৰে নবৌক গালি শপনি, মাৰ-পিট আৰু নানান ককৰ্থনা কৰিবলৈকো কুণ্ঠাবোধ নকৰিলে। ককাইদেউক বুজাবৰ ভাষা মোৰ যেন শেষ হৈ গৈছিল। মিছা অভিযোগবোৰ শুনি চকুপানী টুকি থকাত বাহিৰে নবৌৰো তেতিয়া প্ৰতিবাদ কৰাৰ কোনো সাহস নাছিল।

যোৱা ৰাতিও ককাইদেৰে নবৌক বৰকৈ মাৰিছে। অত্যাচাৰৰ মাত্ৰা ইমান বেছি হ'ল যে নবৌক হস্পিটেলত ভৰ্ত্তি কৰিবলগীয়া হ'ল। মই ঘৰত থাকিলে হয়তো নবৌৰ ওপৰত ককাইদেউৰ অত্যাচাৰৰ মাত্ৰা আৰু বাঢ়ি গৈ থাকিব। সেয়ে মই ঘৰৰ পৰা ওলাই অহাটোকে ঠিক কৰিলোঁ। মোৰ যিয়ে নহওক অন্তত নিষ্পাপ ফুল এপাহিৰ দৰে নবৌ গৰাকী শান্তিত থাকিব পাৰিব। ককাইদেৰো সুখত থাকক।

এইবোৰকে ভাবি ভাবি গৈ থাকোঁতে কেতিয়া যে ষ্টেচন পালোগৈ মই কব নোৱাৰিলোঁ। ষ্টেচনত থিয় হৈ ভাবিলোঁ। মই যোৱাৰ আগতে হস্পিটেলত পৰি থকা নবৌক এবাৰ দেখা কৰি আহো। নবৌক দেখিলেই মই মৃতা মাক পোৱা যেন পাম। কিন্তু! কিন্তু মোৰ ভয় হৈছে—ইয়াতো জানো সন্দেহ সন্দেহৰ বাজে গোটেই আকাশখন ছাটি ধৰিছে। তথাপি মই যাবই লাগিব। নবৌক এবাৰ দেখা কৰিবই লাগিব। মেইলখন ষ্টেচন আহি পাবলৈ এতিয়াও কিছু সময় বাকী।

হস্পিটেললৈ বুলি মই বেগাই খোজ ললোঁ। হস্পিটেলৰ গেট পাৰ হৈ "ফিমেল ওৱাৰ্ড"ৰ নবৌ থকা কোঠাৰ সমুখ পাওঁতেই মোৰ ভৰিদুখন হঠাৎ কঁপি উঠিল। পৰ্দাখন ঠেলি ভিতৰলৈ সোমাৰ খুজি মই বৈ গ'লোঁ।

এই খনেই সেই মুখ। ফুলৰ পাহিৰ দৰে কোমল আৰু পবিত্ৰ। আই ঐ দেহি! এই নিষ্পাপ নিষ্কলংক মানুহ গৰাকী ক'তনো আহি শয্যাশায়ী হৈ আছেহি—ককাইদেউৰ বৰ্বৰ অত্যাচাৰৰ বলি হৈ। মোৰ দুগালেদি চকুলো বাগৰি আহিল। নাই! নবৌক আৰু দুখ দিব নোৱাৰি।

নবৌৱে সেমেকা চকুযুৰিৰে মোৰ ফালে এনেকৈ চাইছে কিয়? মোক কিবা ক'ব খুজিছে নেকি? নে কিবা বিচাৰিছে? মই আগবাঢ়ি গলোঁ। নবৌৰ দেখোন ওঠ দুটা লৰচৰ কৰা নাই। চকুযুৰিও দেখোন একেথৰ হৈ আছে। মই আৰু ৰব নোৱাৰিলোঁ। বিৰাট জোৰত চিঞৰ এটা মাৰি কোঠাটোৰ পৰা দৌৰি ওলাই আহিলোঁ। যাত্ৰাৰ সংকেত দি মেইলখনে তেতিয়া এটি দীঘলীয়া উকি মাৰিছিল। হয়তো খন্তেক পাচতে ষ্টেচন এৰিব।

# চতুৰ্দ্দশীৰ জোন

শ্ৰীকৈলাশ কলিতা
স্নাতক, ২য় বাৰ্ষিক

বাহিৰত কিনকিনীয়া ৰবষুণ জাক এতিয়াও শেষ হোৱা নাই। মই মোৰ বন্ধ কোঠাৰ খিড়িকী এখন খুলি বাহিৰলৈ চালোঁ। ক'লা ডাৱৰৰ মাজে মাজে বেলিটোৱে লুকা-ভাকু খেলি আছে। সুবিধা পালেই এচেৰেঙা ৰ'দালিৰ পোহৰ সিঁচি দিয়ে ধৰণীৰ বুকুত। সেই পোহৰত আহিনৰ সেউজীয়া ধান গছৰ পাতবোৰত পৰা ৰবষুণৰ টোপালবোৰ জিলিকি উঠিছে। এজাক বতাহে মেঘবোৰ উৰুৱাই নিয়াত নীল আকাশৰ ৰক্তিম সূৰুযৰ সোণালী আভা চাৰিওপিনে বিয়পি পৰিল। পূবাকাশত জিলিকি উঠিল সপ্তৰঙীন ৰামধেনু।

কিন্তু মই! খোলা খিড়িকীৰ মুখত নিথৰ হৈ ৰৈ আছো। মোৰ মনাকাশত উৰি ফুৰিছে অতীত জীৱনৰ ৰহণীয়া স্মৃতিৰ টুকুৰা। সেই স্মৃতি বিচাৰি মনটোৱে যেন মোক লৈ গ'ল কোনোবা অতীতলৈ!

"এই, তেনেকৈ কি চাইছ?"

"ও. ৰব ধুনীয়া, অতি সুন্দৰ।'

'কি'? "তোৰ মুখখনি। সঁচাই, চালে চাই থাকিবৰ মন যায়।" তেনেকৈ কোৱাৰ লগে লগে মালতীয়ে লাজতে ৰঙা পৰি গ'ল। লাজ ঢাকিবলৈ মুখত এটি আঙুলি সুমুৱাই ঘৰলৈ বুলি দৌৰি গ'ল মোৰ কাষৰ পৰা। আজি কিছুদিনৰ পৰা মোৰ কিবা এটা হৈছে। মই মালতীক নেদেখিলে এখন্তেক থাকিব নোৱাৰা হলোঁ। মালতীৰ সুন্দৰ চকুহালি আৰু লাজ লাজ লগা চাঁৱনিটো মোৰ মনৰ চকুত ভাহি থকা হ'ল। যৌৱনৰ কঠিয়াতলিত প্ৰেম সাগৰৰ কি মোহনীয় ৰূপে মোক যেন বলিয়া কৰি তুলিলে।

সময় ৰথৰ চকৰি অবিৰাম গতিত আগবাঢ়ি আছে। এবাৰ এবাৰকৈ ডুবালে বান আহি গ'ল। নদীৰ বুকুৰ পৰা পলস আনি শস্য পথাৰৰ মাটি সাৰুৱা কৰিলে। শৰতৰ জোনাকেও ভাগৰ পলুৱাই জিৰাই ল'লে। কিন্তু মই! মোৰ মনে চ'তৰ উৰুঙা বতাহ জাকৰ আঁৰে আঁৰে কি জানো বিচাৰি ফুৰিব ধৰিলে। মালতীক লৈ কল্পনা কৰা ভৱিষ্যৎ জীৱনৰ ৰঙীন স্বপ্নই মোক ব্যাকুল কৰি তুলিলে। যোৱাবাৰ বিহুটিত মালতীয়ে মোক কোনেও নেদেখাকৈ হাতে বোৱা ফুলাম বিহুৱান দি মৰম যাচিছিল। হাতৰ টিপতে তামোলখনি দি কৈছিল, "মোক পাহৰি নেযাবি। তই নহ'লে মই মৰি থাকিম কিন্তু। "ধেৎ আঁকৰী, তেনে কথা কৰ পায় নেকি?" বুলি মুখত হাত দি বাধা দিছিলোঁ।

**H. S. L. C.** পৰীক্ষাৰ ফলাফল ঘোষণাৰ সময় যিমানে ওচৰ চাপি আহিল মোৰ চিন্তাৰ আঁত ডালিও সিমানেই হেৰাই যাব ধৰিলে। **Result** যদি ভাল হয় তেতিয়াতো চহৰৰ কলেজত পঢ়িবলৈ যাবই লাগিব। তে'তিয়া! তেতিয়াতো মালতীক এৰি থাকিব লাগিব। নাই, নাই। মই যে মালতীক এৰি এক মুহূৰ্ত্তও থাকিব নোৱাৰিম।

পৰীক্ষাৰ ফলাফল ইতিমধ্যে ঘোষণা কৰিলে। আমি আশা কৰা দিনতকৈ কেইদিনমান আগেয়ে এইবেলি **Result** ওলাল। পৰীক্ষাত পাছ কৰা খবৰটো মালতীৰ ককায়েক প্ৰফুল্ল ককাইদেৱে প্ৰথমে মোক দিছিল আৰু পিঠিত মৰমেৰে থপৰিয়াই কৈছিল "মই জানো, তই যে বংশৰ নাম ৰাখিবি। তই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছ।" পাঠশালা স্কুলতে পঢ়ুৱা মোৰ শিক্ষাগুৰু প্ৰফুল্ল ককাইদেউক মই অসীম শ্ৰদ্ধা কৰো। কিন্তু মোৰ লগৰে পবিত্ৰ, ৰাজেন, বলীনহঁতে প্ৰফুল্ল ককাইদেউক দেখিবই নোৱাৰে। ককাইদেৱে বোলে কিবা কমিউনিষ্ট কৰে। পিচে মই ককাইদেউৰ সঁচাকথা কৰলৈ ভয় নকৰা গুণটোৰ কাৰণে বৰ ভাল পাওঁ। ককাই-দেৱে সেইদিনা মই পাছ কৰা খবৰটো মাকো দিছিল। পাঠশালাৰ দেওনা পাৰ নোহোৱা মাই সেইদিনা খবৰটো শুনি কি যে আনন্দ কৰা নাছিল। কাৰণ প্ৰথম বিভাগত পাছ কৰা এই গাঁৱৰময়েই একমাত্ৰ ল'ৰা। কিন্তু মোৰ মনৰ মাজত আৰম্ভ হৈছিল 'মালতীক" এৰি চহৰলৈ যাব লগা হোৱা দুশ্চিন্তাৰ বা–মাৰলি।

এদিন সঁচাকৈয়ে মোৰ গাঁওখনি আৰু মৰমৰ মালতীক এৰি মই ৰং–ৰহইছৰে ভৰপূৰ বুলি শুনা সুদূৰৰ চহৰখন পালোগৈ। কলেজত ভৰ্তি হৈ তেতিয়া মই নতুন পৰিবেশৰ লগত সহজ হ'ব পৰা নাছিলোঁ। প্ৰথম দিনাই কৰা ৰেগিঙত মই অতিষ্ঠ হৈ পৰিছিলোঁ। বাৰে বাৰে তেতিয়া মালতীলৈ মনত পৰিছিল। কেইদিনমান যোৱাৰ পাচত যেতিয়া ন ন বন্ধু-বান্ধৱীৰ লগত পৰিচয় ঘটিল তেতিয়া ক্ৰমে মোৰ মনটো সহজ হৈ আহিল। প্ৰথমে আচহুৱা আচহুৱা লগা চহৰৰ কৃত্ৰিম ৰং–ৰহইছবোৰ মোৰ ভাল লগা হৈ আহিল। গাঁৱৰ মুকলি বিহু, আঁহতৰ তলৰ বিহুৰ সলনি বৰ্ কাটৰ মৃণালিনী বাইদেউহঁতৰ বিহুনাচ চাই আমনি নোপোৱা হলোঁ। বৰং এক নতুন অভিজ্ঞতাহে লাভ কৰিলোঁ। ... দিন বাগৰি গ'ল। মোবো পৰীক্ষাৰ দিন একেবাৰে ওচৰ চাপি আহিল। এনেতে দেউতাৰ অসুখৰ কথা লিখি ভনীজনীয়ে দিয়া চিঠি এখন পালোঁ। মোৰ বৰ চিন্তা হ'ল দেউতাৰ পুৰণা ৰোগটোৱে উক্ দিছে বলি। ঘৰলৈ আহিবৰ কাৰণে মনটোৱে হাঁহাকাৰ কৰি উঠিল। কিন্তু পৰীক্ষাৰ দিন ইমান ওচৰত যে ঘৰলৈ অহাৰ কথা তেতিয়া ভাবিবই নোৱাৰি। বহু চিন্তা কৰি পৰীক্ষা শেষ কৰি অহাটোকে সিদ্ধান্ত কৰিলোঁ।

পৰীক্ষা শেষ কৰিয়েই লবালবিকৈ ঘৰ বুলি বাওনা হলোঁ। ঘৰ আহি পাই যি পৰিস্থিতিৰ সমুখীন হলোঁ সেইটো বৰ্ণনাৰ অতীত। ভনীজনীয়ে দৌৰ মাৰি আহি কান্দি কান্দি মোক সাৱট মাৰি ধৰিলে। তিনিদিন শয্যাগত হৈ থাকি কেনেকৈ দেউতা ঢুকাল, গাঁৱৰ মানুহে আহি কি কি কৰিলে কান্দি কান্দিয়ে তাই কবলৈ ধৰিলে।

মই কেৱল নীৰৱ আৰু নিৰ্বাক হৈ তাইৰ মুখৰ ফালে চাই ৰলোঁ। কিছু সময়ৰ পিচত হঠাৎ সম্বিৎ ঘূৰাই পাই মনত চিন্তা হ'ল দেউতা অবিহনে কেনেকৈ জীয়াই থাকিম।

সংসাৰৰ মেটমৰা বোজাৰ কথা ভাবি প্ৰথমে মই উচপ্ খাই উঠিছিলোঁ। কিন্তু এই বোজা মই ল'বই লাগিব। ঘৰৰ ডাঙৰ ল'ৰা হিচাপে এয়া যে মোৰ কৰ্তব্য। এদিন পৰীক্ষাৰ খবৰ ওলাল। ভালকৈয়ে পাছ কৰিলোঁ। ভাবিলোঁ পঢ়া ইমানতে ইতি কৰো। কাৰণ বিধবা মাক কষ্ট দিয়াৰ ইচ্ছা মোৰ নাই। মোৰ এই মনৰ ভাবৰ কথা মাক জনোৱাত মাই কোৱা কথা-খিনিয়ে মোক পুনৰ প'ঢ়িবলৈ বাধ্য কৰিলে। মায়ে মোক কৈছিল "শুন ডাঙৰ বাবা, দেউতাৰে এৰি গলেও মই এতিয়াও জীয়াই আছো। তোক মই যেনে তেনে পঢ়াম। তই আৰু পঢ়িবই লাগিব। স্বৰ্গগত দেউতাৰৰ ইচ্ছা তই পূৰণ কৰিবই লাগিব। তেতিয়াহে মই শান্তি পাম।" কথাখিনি কওঁতে মাৰ দুগালেদি চকুলো বৈ আহিছিল। মাৰ এই দৃঢ়তা আৰু আগ্ৰহক উপেক্ষা কৰিব নোৱাৰি অৱশেষত মই পুনৰ উচ্চ শিক্ষাৰ্থে চহৰ অভিমুখে আহিলোঁ। আহিবৰ সময়ত মাই সজল নয়নেৰে আশীৰ্ব্বাদ দিছিল। মালতী আৰু ভন্টিজনী তিনি আলিৰ চ'কলৈ আহি আগবঢ়াই গৈছিল। মালতীয়ে কৈছিল "তুমি ঘূৰি অহালৈকে মই বাট চাই থাকিম।" ভন্টিজনীয়ে চকু পানী টুকিছিল আৰু কৈছিল, "চিঠি দি থাকিবি।"

উচ্চ শিক্ষা লাভ কৰাৰ এবুকু আশাৰে মই আহি পুনৰ চহৰৰ কলেজত ভৰ্তি হলোঁ। দিনবোৰ ভালেই আগবাঢ়িল। ... কিন্তু ভন্টিজনীৰ চিঠিখনে মোৰ মনটো হঠাতে বৰ চিন্তিত কৰি তুলিলে। তাইৰ দীঘলীয়া চিঠিখনত বহু কথাই লিখিছিল লিখিছিল মালতীৰ কথা। কেনেকৈ ওচৰৰ গাঁৱৰ ল'ৰা এজনে মালতীক বিয়া কৰাব খুজিছিলহি আৰু সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি কেনেকৈ তাই ঘৰখনত অপ্ৰিয় হৈ পৰিছে। আৰু লিখিছিল গাঁওখনৰ কথা। কেনেকৈ পৰিবৰ্তনৰ জোৱাৰে গাঁওখন একেবাৰে সলনি কৰি পেলালে। ভন্টজনীয়ে লিখিছিল, "জান ককাইদেউ গাঁওখন বহুত সলনি হৈ গ'ল। পৰিবৰ্তনৰ সোঁতে গাঁৱৰ মানুহৰ সৰল মন বেঁকা কৰিলে। মানুহক একোৱে নোজোৰা হ'ল। ডেকা ল'ৰাহঁতেও গুৰু-গোসাঁই নমনা হ'ল। তিনি আলিৰ চ'কত বহি সিহঁতে বহু ৰাতিলৈকে আড্ডা মাৰে, মদ ভাং খায় আৰু জুৱা খেলে। ৰাস্তাই ৰাস্তাই চিঞৰ বাখৰ কৰি ক'তাই আকৌ কি যে গণ্ডগোল নকৰে। মুঠতে শান্তি বোলা বস্তুটো নোহোৱা হৈছে।" চিঠিখন পঢ়াৰ পিচত এটি দীঘল হুমুনিয়াহ ওলাই আহিল।

যথাসময়ত পৰীক্ষা শেষ কৰি ঘৰৰ ল'ৰা ঘৰলৈ আহিলোঁ। দেখিলোঁ ভন্টিৰ চিঠিৰ কথাই ঠিক। পৰিবৰ্তনৰ সোঁতে গাঁওখন ভালকৈয়ে গ্ৰাস কৰিছে। সাতাম-পুৰুষীয়া শান্তি-সম্প্ৰীতিৰ এনাজৰী ডালো যেন ছিঙি পৰো ছিঙি পৰো। মোৰ ল'ৰালিৰ সেই সপোনভৰা আশাৰ কাৰেং সজা গাঁও এই খনেই বুলি মোৰ মনতো সন্দেহ হ'ব খোজে। এইবোৰে মোক চিন্তিত কৰি তুলিছিল যদিও ডেকাল'ৰা হিচাপে নতুন সমাজ এখন গঢ়িবৰ কাৰণে মই মনে মনে প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ।

সময়ৰ বা-মাৰলিত লুমাই যাব খোজা গাঁৱৰ শুন্দৰৰ বস্তি গছি পুনৰুদ্ধাৰ কৰি ময়েই নতুন তেল শলিতাৰে জ্বলাই তুলিব লাগিব। কিন্তু মোৰ সকলো পৰিকল্পনা ওলট-পালট হৈ গ'ল যেতিয়া মই গম পালো ইতিমধ্যে মালতীয়ে হঠাতে মোক এৰি দেউতাকে ঠিক কৰা এজন ডেকাৰ লগত বিয়া হৈ গুচি গ'ল। মালতীক হেৰুৱাই মই যেন সকলো শক্তি হেৰুৱাই পেলালোঁ। মোৰ ভাইটো গুচি গ'ল ঘৰ এৰি ক'ৰবালৈ—কি উদ্দেশ্যত জানো কি বিচাৰি! এদিন ভক্তিজনীও বিয়া হৈ গুচি গ'ল।

এতিয়া মই ওচৰৰ গাঁৱৰে হাইস্কুলখনৰ শিক্ষক। ঘৰত কেৱল দুটি প্ৰাণী—মা আৰু মই। মা থাকিলেও মই যেন বৰ অকলশৰীয়া সব নিসঙ্গ। সপোন ময়ো দেখিছিলোঁ। দেখিছিলোঁ মালতীক লৈ এখন হাঁহিৰে ভৰা সুখৰ সংসাৰ কৰাৰ স্বপ্ন। কিন্তু সপোন সপোনে। ... এটি এটিকে অতীত স্মৃতিবোৰ মানসপটত ভাহি থাকোঁতে কেতিয়া যে সন্ধিয়া লাগিল গমেই নাপালোঁ। আকাশং অন্ধকাৰ আঁতৰাই উজলি উঠা চতুৰ্দ্দশীৰ জোনৰ পোহৰ আহি যেতিয়া হঠাৎ মোৰ চকুত পৰিলহি তেতিয়াহে মোৰ তন্দ্ৰা ভঙ্গ হ'ল। কাণত বাজি উঠিল নামঘৰত মাই প্ৰাৰ্থনা কৰা নামঘোষাৰ পদ। খোলা খিড়িকীখনেৰে দেখিলোঁ পূৰ্ণিমাৰ আগ-নিশাৰ চতুৰ্দ্দশীৰ জোনটো আকাশত জিলিকি আছে।

—৫—

"এফালে ৰাইজ, আনফালে চৰকাৰে সুণ্ডি সুণ্ডি মোক বিচাৰি ফুৰে চৰকাৰৰ বিৰোধী বুলি; ৰাইজৰ বুকুৰ এফাল হিয়াৰ বঙা আমঠু বুলি ৰাইজে বিচাৰে মোক ৰক্ষা কৰিবলৈ। আজিৰ সমাজত কিবা কেবোণ কেবোণ লাগে। ৰাইজৰ চৰকাৰৰ লগত ৰাইজৰ ইমান অমিল কিয়?"

- বিষ্ণু ৰাভা

# প্ৰস্তুতি

শ্ৰীবিজয় কুমাৰ নাথ
স্নাতক, ১ম বাৰ্ষিক

প্ৰণৱৰ শৰীৰ আৰু মন ক্লান্তিত ভাবাক্ৰান্ত হৈ পৰিছিল যদিও তাৰ অন্তৰত জ্বলি উঠা প্ৰতিবাদৰ জুইকুৰাই তাৰ খোজবোৰ খৰৰ পৰা খৰতৰ কৰি তুলিছিল। সি ৰাতিতে ঠিক কৰি থৈছিল বেলি নৌ ওলাওঁতেই সি বলিত খুৰাক লগ কৰিব। কামৰ মানুহ। বেলি ওলোৱাৰ লগে লাগ হাল কোৰ লৈ পথাৰলৈ যাব দুঘণ্টা-মান হাল বাই ঘূৰি আহি গাটো ধুই নাকে মুখে দুটামান গুজি আওপুৰণি চাইকেলখনত উঠি আকৌ ন-মাইল দূৰত অৱস্থিত কৰ্মস্থানলৈ ওলাব। সবে জনাৰ দৰে সিও জানে নিৰ্দ্দিষ্ট সময়ত আকাশত চন্দ্ৰ সূৰ্য্য ওলোৱাৰ দৰে বলিত খুৰাও ৯-৩০ মিনিটত নকৈ স্থাপন কৰা ছোৱালী হাইস্কুলখনৰ হেডমাষ্টৰৰ অসনখনত বহেই। গতিকে সেই বলিত খুৰাক ৰাতিপুৱা এইখিনি সময়ত লগ কৰিব নোৱাৰিলে দিনটোৰ আনভাগত লগ কৰা কঠিন।

প্ৰণৱৰ এই সিদ্ধান্ত হঠাতে লোৱা। যোৱা ৰাতি সিহঁতৰ গাঁৱত ভোজৰ আয়োজন হৈছিল। বিহুৰ ভোজ। গাঁৱৰ ডেকাহঁতে আয়োজন কৰিছিল। বছৰে কৰে। ভোজথলীত প্ৰণৱ অলপ দেৰিকৈ উপস্থিত হৈছিল। ঘৰত বাপেকৰ পুৰণি বিষটোৱে আগদিনাৰ পৰা উক্ দি বৰ দিগদাৰি দিছিল। সি যাবই খোজা নাছিল। মাকেহে জোৰ কৰি পঠাইছিল। সি গৈ পোৱাৰ লগে লগে ৰহিমে আৰু নাৱদে প্ৰায় একে লগে চিঞৰি উঠিল : কিহে ভাই চাহাব, আমি নজনাকে ক'ৰবাত চাকৰি-বাকৰিৰ কিবা পকা বন্দবস্ত কৰি আহিলা নেকিহে? কথাষাৰ তাৰ অন্তৰৰ গভীৰলৈ ভেদী গৈছিল। ৰহিম তাতকৈ চাৰিবছৰ মানৰ ডাঙৰ। মেট্ৰিকৰ দেওনা পাৰ হোৱাৰ আগে আগে পৰীক্ষা গৃহত অসৎ উপায় অবলম্বন কৰা কাৰণে এখন স্কুলৰ পৰা আনখন স্কুললৈ নামকটা চিপাহী হৈ চাৰিখন মান স্কুল বাগৰাৰ পিছত অৱশেষত চাৰি বছৰ মানৰ মূৰত মেট্ৰিকটো পাছ কৰিলে। তাৰ পিছত ঘৰতে ব'পেকৰ সা-সম্পত্তি, মাটি বাৰীৰ তদাৰক কৰি আছে। ৰহিম চেলিম বুঢ়াৰ সাত নম্বৰ পুতেক। চেলিম বুঢ়াৰ টকা-পইছা, সা-সম্পত্তি দেখাৰ। মণ্ডল আছিল। গাঁৱৰ দুখীয়া নিৰক্ষৰ বহুতক ঠগাই চাকৰি কালত এইবোৰ কৰি লৈছিল। ৰহিমৰ গাৰ ছাঁটোৰ দৰে ঘূৰি ফুৰা নাবদৰ কোনো নিৰ্দ্দিষ্ট কাম কাজ নাই। মানুহে তাক চোৰাং কাৰবাৰ, খুন নীচ ব্যৱসায়ৰ দালালী আদি নানা অবাঞ্ছিত কামত-জড়িত বুলি সন্দেহ কৰে। নাবদৰ লগতে তেনেকৈ ঘূৰি ফুৰা

কাৰণে মানুহে সিবোৰ কামত ভিতৰি ভিতৰি ৰহিমৰ সহযোগ থকা বুলিয়ে ধৰি লয়।

বহিম আৰু নাবদৰ কথাবাৰ শুনাৰ পিছত প্ৰণৱৰ কিবা এষাৰ কবৰ মন গৈছিল। কিন্তু বহিম আৰু নাবদৰ লেমটু হুজনমানৰ ইতিকিং সূচক হাঁহিত তাৰ মুখৰ পৰা কোনো কথা ওলাই নপবিল। কিছু আঁতৰত মাংস কুটি থকা যোগেশ্বৰ পেহাইটিহে চিঞৰি কৈছিল হেবৌ তহঁতি তাক তেনেকৈ জ্বলাইছ কিয়? তহঁতি নাজান নেকি তাৰ বাপেকটো মৰণৰ লগত যুঁজ কৰি আছে ।

প্ৰণবৰ ভোজথলীত থকাৰ ইচ্ছাকণ একেবাৰে শেষ হৈ গৈছিল। ভোজবথলীলৈ একেলগে অহা বন্ধু উৎপলক সি কৈছিল—উৎপল, ভোজ খোৱাৰ ইচ্ছা আৰু মোৰ নাই। তুমি থাকা, মই ঘৰলৈয়ে যাওঁ। উৎপলে প্ৰণবক জানে। নওঠা অৱস্থাৰ পৰা ধূলি-মাকতিৰ খেলা কৰি একেলগে ডাঙৰ দীঘল হোৱালৈকে। প্ৰাইমাৰী স্কুল, হাইস্কুল আৰু কলেজৰো সহপাঠী। কলেজত পঢ়ি থাকোঁতে প্ৰণৱ আৰু উৎপলক সেয়ে লগৰ ল'ৰা কিছুমানে ধেমালিতেতো ভুজিয়া-বুনিয়াই নাম দিছিল। প্ৰণৱৰ মানসিক অৱস্থা সলনি কৰাৰ উদ্দেশ্যে উৎপলে কৈ উঠিছিল—প্ৰণৱ. বন্ধা-বঢ়াখিনি শেষ হয় মানে আমি অচ্যুত মেম্বৰৰ ঘৰৰ পৰাই পাক এটা মাৰি আহো ব'লা।

অচ্যুত মেম্বৰৰ ঘৰলৈ যোৱাটো প্ৰণৱৰ সেই সময়ৰ মানসিক অৱস্থা পৰিবৰ্তন কৰাৰ উপৰিও আন এটা কাৰণতো যে বিশেষ প্ৰয়োজনীয় সেই কথাটো বুজিবলৈ প্ৰণৱৰ দেৰি নালাগিল। সেয়ে সিয়ো উৎপলৰ প্ৰস্তাৱত তৎক্ষণাত ৰাজী হ'ল।

বতৰটো বেয়া আছিল। ঘিট্‌মিটীয়া আন্ধাৰ। মাজে মাজে বিজুলীৰ চিক্‌মিকোৱা পোহৰ আৰু কিন-কিনীয়া বৰষুণ। প্ৰণৱ আৰু উৎপল গৈ মেম্বৰৰ পিৰালিৰ ওচৰ পালে। পিৰালিত থিয় দিয়ে দুয়ো গম পালে অচ্যুত মেম্বৰৰ বৈঠকখানাত কেইজনমান মানুহৰ এটা আলোচনা চলিছে। প্ৰণৱে মেম্বৰক উদ্দেশ্যি মাত এষাৰ লগাব খোজ-তেই তাৰ কাণত ঠহৰকৈ বাজিল, চেলিম বুঢ়াৰ কণ্ঠস্বৰ প্ৰণৱে কি দিব? দিবলৈ বা তাৰ আছেই কি? ছালচিগা ভিকহু। দিষ্টিংচন নে কিবা ফিষ্টিংচন লৈ বি, এ, পাছ কৰা চাৰ্টিফিকেট এখন আছে। গাঁৱৰ স্কুল এখনৰ ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ সিমানখিনি বিদ্যা নহ'লেও হ'ব নহয়। তাৰ পিছতে নাৰদৰ মাতষাত সিহঁত দুটাৰ কাণত পৰিল— মেম্বৰ খুৰা ৰহিমৰ কাৰণে চেলিম দেদাই এয়া পাঁচ হেজাৰ টকা দিছেই। দৰকাৰ হ'লে আৰু দিব। এয়া তোমাৰ বুলিলেও তোমাৰ, স্কুলৰ বুলিলেও স্কুলৰ। স্কুলখনৰ কাৰণে তুমি ক'ম কৰিছানে? তাৰ পিছত মেম্বৰৰ গম্ভীৰ কণ্ঠস্বৰ দুয়োৰো কাণত পৰিল ··
"এবা কথাষাৰ ময়ো চিন্তা নকৰাকৈ থকা নাই। তাক দি বিশেষ লাভ নাই। জটৰ বাহ হ'ব যেন হে লাগিছে: কলেজৰ দুটামান শ্ৰেণী পঢ়ি ডিগ্ৰী এটা লোৱাৰ পিছত সি যেন পৃথিৱীৰ চব কথাহে শিকিলে ··· ··· ।"

মেম্বৰৰ ইয়াৰ পিছৰ কথাবোৰ উৎপলৰ কাণত সোমালেনে নাই প্ৰণৱে নেজানিলে; কিন্তু তাৰ কাণত হ'লে এটা শব্দও নোসোমাল। ··· এম, ভি, স্কুলখনৰ এই চাকৰিটোৰ কাৰণে যোৱা এৰছৰে সি বিনা পইছাই খাটি দিলে।

এতিয়া স্কুলখনলৈ চৰকাৰৰ সাহায্যৰ পৰিমাণ বেছি হোৱাত চাকৰিটো তাৰ পৰা কাঢ়ি নি ৰহিমক দিয়াৰ তলে তলে ষড়যন্ত্ৰ চলিছে।

প্ৰণৱৰ এনে লাগিছিল যেন কোনোবাই তাৰ বুকুত লোৰ প্ৰকাণ্ড শেল এডাল অতি নিঠুৰভাৱে বহুৱাই দিছে। নিষ্ঠুৰতা আৰু প্ৰতাৰণাৰ নাঙঠ ৰূপ এটাৰ এনেকৈ হঠাতে সম্মুখা-সমুখি হোৱাত তাৰ চিঞৰি চিঞৰি কান্দি দিবৰ ইচ্ছা হৈছিল। পিচে সি সেইটো নকৰিলে। ভাঙি পৰিব খোজা মনটো সি সুদৃঢ় কৰি ললে। সি নিজকে সঁকীয়াই দিলে চাকৰিটো তাৰ বাবে অতীৱ প্ৰয়োজনীয়। চাকৰিটোৰ বাবে যথোপযুক্ত যোগ্যতাও তাৰ আছে। অন্ততঃ চাৰিবাৰৰ মূৰত মেট্ৰিক পাছ কৰা ৰহিমৰ তুলনাত। তদুপৰি চাকৰিটো তাক দিম বুলি স্কুল পৰিচালনা সমিতিৰ সভাপতি ধৰ্মেশ্বৰ চক্ৰৱৰ্ত্তী আৰু সম্পাদক অচ্যুত মেম্বৰকে আদি কৰি স্কুল কমিটিৰ প্ৰায় আঠাইকেইজন প্ৰভাৱশালী সদস্যই দিয়া প্ৰতিশ্ৰুতিকে সাৰোগত কৰি সি বিনা পইছাই যোৱা এবছৰে গেৰাৰি খাটি দিলে। এতিয়া স্কুলখনে অধিক চৰকাৰী সাহায্য পোৱাত আৰু অনতিপলমে ই পূৰ্ণপৰ্য্যায়ৰ চৰকাৰী সাহায্য লাভ কৰাৰ সম্ভাৱনা এটা দেখা দিয়াত চাকৰিটো তাৰ পৰা কাঢ়ি নি ৰহিমক দিব খোজা ষড়যন্ত্ৰ সি কোনোপধ্যেই বাস্তৱত পৰিণত হ'ব দিব নোৱাৰে। তাৰ কথা হ'ল – চাকৰিটো সি ন্যায়সঙ্গত কিবা কাৰণত নাপালেও ৰহিমে পাব নোৱাৰে। যি নিজে একো নাজানে সি ল'ৰা-ছোৱালীক কি শিকাব, কি বুজাব। চাকৰিটো ৰহিমক দিয়া মানে ল'ৰা-ছোৱালীৰ মূৰ খোৱাহে হ'ব। কথাখিনি মনৰ ভিতৰত জুকিয়াই লোৱাৰ লগে লগে সি সিদ্ধান্ত লৈছিল যে সি বলিত খুৰাক লগ কৰিব। এই বলিত খুৰাকো এই মথা মানুহেই কমখন চক্ৰান্ত কৰি গাঁৱৰ হাইস্কুলটোৰ পৰা চাকৰি এৰি দিবলৈ বাধ্য কৰিছিলনে? পিচে বলিত খুৰায়ো সিহঁতক আঙুলি টোৱাই কৈছিল হেৰৌ, যোগ্যতাক তহঁতে ষড়যন্ত্ৰেৰে অলপ সময়ৰ কাৰণেহে ঢাকিবি। মোৰ যদি যোগ্যতা আছে দেখিবি নহয় কি কৰিম।" আৰু বলিত খুৰাই সঁচাকৈয়ে সিহঁতক নিজৰ যোগ্যতাৰ পৰাকাষ্ঠা দেখুৱালেও। এবছৰ পাৰ নৌহওঁতেই ৯ মাইল আঁতৰৰ তিনিখন গাঁৱৰ ৰাইজক একেলগ কৰি ছোৱালী হাইস্কুল এখন পাতিলে আৰু নিজৰ পথাৰখনক ভাল পোৱাদি ভাল পাই দিনে ৰাতি দেহে কেহে খাটি স্কুলখন গঢ়িও তুলিলে ···।

সেই বলিত খুৰাকে লগ কৰিবলৈ এই দোকমোকালিতে সি খোজ লৈছে। বলিত খুৰা আচলতে তাৰ নিজা খুৰা নহয়। দেউতাকতকৈ সৰু কাৰণে আৰু একে গাঁৱৰ মানুহ কাৰণে সি খুৰা বুলি মাতে। কিন্তু সি মাজে মাজে ভাবে তাৰ আপোন খুৰা এজন থকাহ'লে সি ইমান আপোনভাৱ অনুভৱ কৰিলেহেঁতেন, বলিত খুৰাক সি যেন তাতকৈ বেছি আপোন জ্ঞান কৰে। তাৰ বিপদত যে বলিত খুৰাৰ ব্যক্তিত্ব বীৰৰ দৰে থিয় হ'ব সেই কথাটো সি বুজি পায়। এতিয়াও তাৰ মনত আছে নিজৰ অসৎ উদ্দেশ্য চৰিতাৰ্থ কৰিব নোৱাৰি গাঁৱৰ জেউতি পেহীৰ ছোৱালীজনীৰ মিছা কলঙ্ক উলিয়াই বদনামী কৰিব খোজাৰ মানসেৰে আজি কিছুদিন

আগতে মতা গাঁৱৰ মেলত অচ্যুত মেম্বৰৰ বৰ-পুতেক যাদৱ, গাঁওবুঢ়াৰ কনিষ্ঠ পুতেক নগেন আদিৰ বিৰুদ্ধে জেউতি পেহীৰ পক্ষ লৈ সজোৰে মাত মতা মানুহটো আছিল বলিত খুৰা। সেইখন মেলত বলিত খুৰা নহ'লে যে সত্য কথা ওলাই নপৰি জেউতি পেহীহঁত এঘৰীয়া হ'লহেঁতেন সেই কথাটো গাঁৱৰ প্ৰতিজন মানুহে বুজি পাইছিল। সত্য আৰু ন্যায়ৰ বাবে এনেদৰে বীৰৰ দৰে যুঁজা বাবেই সন্তৰ বলিত খুৰাৰ প্ৰতি তাৰ শ্ৰদ্ধাৰ টানটোও ইমান বেছি। বলিত খুৰাক আৰু এটা কথাৰ কাৰণেও তাৰ বৰ ভাল লাগে। প্ৰসঙ্গ ওলালে তাক বা গাঁৱৰ আন যিকোনো উঠি অহা ডেকা ল'ৰাক উদ্দেশ্যি তেওঁ ক'ব নাপাহৰে—হেৰৌ, ন্যায় হ'ল পোহৰ, অন্যায় হ'ল আন্ধাৰ। অন্যায় কাৰ্যবোৰ দেখিও তহঁতি যদি চকু মুদি থাক, গাঁওখন, দেশখন আন্ধাৰে ভৰি পৰিব, বুজিছ। যিমান পাৰ অন্যায় প্ৰতিৰোধ কৰ। নহ'লে গৰাখহনীয়া হ'ব। প্ৰচণ্ড গৰাখহনীয়া—য'ত গাঁও, দেশ সকলো জাহ যাব ... —।

সেই বলিত খুৰাকে লগ কৰিবলৈ প্ৰণৱে এই দোকমোকালিতে খোজ লৈছে। বেলি এতিয়াও ওলোৱা নাই। বলিত খুৰা নিশ্চয় মুখ হাত ধুই সাজু হ'ব লাগিছে। বলিত খুৰাক সি লগ পাব। লগ পাবই লাগিব। ●

---



"মই মোৰ ঘৰৰ কেউদিশে প্ৰাচীৰ গঢ়ি তুলি খিৰিকিবোৰ বায়ু আৰু পোহৰহীন কৰি ৰাখিব নোখোজোঁ। পৃথিৱীৰ সকলো দেশৰ সভ্যতা-সংস্কৃতিৰ বতাহছাটি মোৰ ঘৰৰ সকলোপিনে প্ৰবাহমান হওক, কিন্তু সেয়ে মোৰ ভৰি পিচলাব নোৱাৰিব। মই আনৰ ঘৰত অনধিকাৰ প্ৰৱেশকাৰী ভিক্ষাৰী বা দাস হিচাপে থাকিবলৈ স্বীকাৰ কৰিব নোৱাৰোঁ।"

—মহাত্মা গান্ধী

# প্ৰবন্ধ

## সুন্দৰৰ সাধক শিল্পী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা



মিচ্ যুথিকা কাকতি
১ম বাৰ্ষিক, উঃ মাঃ

অসমৰ সাহিত্য-সংস্কৃতিৰ জগতলৈ অনবদ্য অৱদান আগবঢ়াই অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰি তোলা ব্যক্তিসকলৰ ভিতৰত সুন্দৰৰ সাধক শিল্পী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই নিঃসন্দেহে এক সুউচ্চ স্থান দখল কৰি আছে। বহুমুখী প্ৰতিভাসম্পন্ন আৰু এক বিৰল ব্যক্তিত্বৰ অধিকাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ একেধাৰে কবি, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, অভিনেতা কথাছবি নিৰ্মাতা, স্বাধীনতা সংগ্ৰামী আৰু এজন প্ৰকৃত বিপ্লৱী আছিল। নিজক তথা দেশ মাতৃক মহীয়ান কৰি তোলা ইমানবোৰ গুণেৰে বিভূষিত জ্যোতিপ্ৰসাদ আগৰৱালা কিন্তু আছিল সঁচা অৰ্থত শিল্পী—সুন্দৰৰ সাধক। তেওঁৰ শিল্পী সত্তাই বিচাৰিছিল অপসংস্কৃতি তথা সমাজৰ দুষ্কৃতিকাৰীক বিনাশ কৰি চিৰসুন্দৰক প্ৰতিষ্ঠা কৰিবলৈ। সেয়ে তেওঁ আজীৱন বিপ্লৱী শিল্পীৰ ভূমিকা পালন কৰি জনতাক জগাই তুলিছিল—

“আজি শিল্পীৰূপেৰে জাগিব লাগিব জগত জনতা
আজি কবিটি হৈ
ৰবিটি হৈ জ্বলিব লাগিব বিশ্ব জনতা।”

o o o

“দুষ্কৃতি নাশি’
সংস্কৃতিৰে পৃথিৱী মুক্ত কৰি
শিল্পী ৰূপেৰে ওলা জনতা
সুন্দৰৰেই বিৰাট স্বৰূপ ধৰি।”

বৈচিত্ৰ্যময় অসমীয়া সংস্কৃতিৰ বৰভেটিৰ ওপৰত ভৰ দিয়েই মহান ভাৰতীয়ৰ পৰিচয় দি বিশ্ব-দৰবাৰলৈ বুলি খোজ পেলোৱা সুন্দৰতম্ সংস্কৃতিৰ পূজাৰী এই গৰাকী নিভাঁজ অসমীয়া—ৰূপকোঁৱৰৰ জন্ম হৈছিল ১৯০৩ চনৰ ১৭ জুনৰ দিনাখন ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত। তেওঁৰ পিতৃৰ নাম আছিল পৰমানন্দ আগৰৱালা আৰু মাতৃৰ নাম কিৰণময়ী আগৰৱালা। জ্যোতিপ্ৰসাদৰ প্ৰপিতামহ নওৰঙ্গ আগৰৱালা সুদূৰ ৰাজস্থানৰ

পৰা আহি অসমতে স্থায়ীভাবে বসবাস কৰিব লৈছিল আৰু অসমীয়া ছোৱালী বিয়া কৰাই হাড়ে-হিমজুৱে অসমীয়া হৈ পৰিছিল। নওবঙ্গ আগৰৱালাৰ জ্যেষ্ঠ পুত্ৰ হৰিবিলাস আগৰৱালাই 'কীৰ্ত্তন', 'দশম', 'নাম ঘোষা' আদি ধৰ্ম পুথিবোৰ ছপাই পৰিয়ালত অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ এটি পৰিবেশ সৃষ্টি কৰিছিল। এই পৰিয়ালৰে চন্দ্ৰ কুমাৰ আগৰৱালা, আনন্দ চন্দ্ৰ আগৰৱালা আদিয়ে অসমীয়া সাহিত্য জগতত প্ৰভূত বৰঙণি আগবঢ়াইছিল। সঙ্গীত বাদ্য আদিতো এই পৰিয়ালৰ লোকৰ বাপ কম নাছিল। সৰু কালত লাভ কৰা পৰিয়ালৰ এনে পৰিবেশে আৰু অসমীয়া সংস্কৃতিক নৱতম ৰূপ প্ৰদান কৰোঁতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এৰি থৈ যোৱা অনুপম অৱদান ৰাজিৰ অধ্যয়নে জ্যোতিপ্ৰসাদক অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰি তুলিছিল। শংকৰদেৱক তেওঁ সমন্বয়-সংস্কৃতিৰে বৰ অসমৰ ভেটি নিৰ্মাণ কৰোঁতা মহান অসমীয়া কলাকাৰ বুলি গণ্য কৰিছিল। জ্যোতিপ্ৰসাদৰ জীৱনত এই মহাপুৰুষ গৰাকীৰ প্ৰভাৱ নপৰাকৈ থকা নাছিল।

জ্যোতিপ্ৰসাদে হাইস্কুলীয়া শিক্ষা লাভ কৰিছিল তেজপুৰ চৰকাৰী হাইস্কুলত। তাৰ পৰাই ১৯২১ চনত প্ৰৱেশিকা পৰীক্ষাৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰিছিল। সেই সময়ত গান্ধীজীৰ নেতৃত্বত ব্ৰিটিছৰ বিৰুদ্ধে অসহযোগ আন্দোলন চলি আছিল। প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উঠি জ্যোতিপ্ৰসাদেও এই আন্দোলনত যোগদান কৰিলে। কিন্তু কিছু-দিনৰ ভিতৰতে অসহযোগ আন্দোলন অস্ত পৰাত জ্যোতিপ্ৰসাদ কলিকতাৰ নেছনেল কলেজত ভৰ্ত্তি হয়। ২য় বাৰ্ষিক শ্ৰেণীলৈ অধ্যয়ন কৰি তেওঁ অলপ দিনৰ কাৰণে ৰবদেউতাক চন্দ্ৰকুমাৰ আগৰ-ৱালাৰ "অসমীয়াত" সোমায়হি আৰু নিউ প্ৰেছ চলোৱাত সহায়তা কৰে। এই প্ৰেছত কিছুদিন কাম কৰাৰ পাছত তেওঁ ১৯২৬ খৃঃত উচ্চ শিক্ষাৰ্থে বিলাতলৈ যায় আৰু এডিনবৰা বিশ্ববিদ্যালয়ত কিছুদিন অধ্যয়ন কৰি ডিগ্ৰী নোলোৱাকৈ সিমানতে সাধাৰণ শিক্ষা সাং কৰি ফিল্ম শিল্প অধ্যয়নৰ বাবে জাৰ্মানিলৈ যাত্ৰা কৰে। জাৰ্মানিত ফিল্ম শিল্প সম্বন্ধে জ্ঞান আহৰণ কৰি তেওঁ ১৯৩০ খৃঃত ভাৰতলৈ ঘূৰি আহে।

সেই বছৰতে গান্ধীজীৰ নেতৃত্বত পুনৰ আইন অমান্য আন্দোলন আৰম্ভ হৈছিল। জ্যোতিপ্ৰসাদে এই আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰিব লগা হয়। সুদীৰ্ঘ ১৫ মাহ কাল সশ্ৰম কাৰাদণ্ড ভোগ কৰাৰ অন্তত জ্যোতিপ্ৰসাদে জেলৰ পৰা মুক্তি লাভ কৰিলে। তেতিয়া তেওঁ কলংপুৰ ভোলাগুৰি চাহ-বাগানত অসমীয়া ফিল্ম শিল্প প্ৰতিষ্ঠাৰ কাৰণে "চিত্ৰলেখা মুভিটোন" প্ৰতিষ্ঠা কৰিলে। "চিত্ৰলেখা মুভিটোন"ৰ প্ৰথম নিবেদন হিচাপে ১৯৩৫ খৃঃত "জয়মতী" কথাছবিখনে মুক্তি লাভ কৰে। সেই কালৰ সীমিত সা-সুবিধাৰ মাজত তেওঁ কথাছবি প্ৰযোজনা কৰাৰ কম দুঃসাহস কৰা নাছিল। তদুপৰি কোনো কালে অভিনয়ত ননমা অসমীয়া ছোৱালীক তেওঁ কথাছবিত নমাই সফলভাৱে অভিনয় কৰোৱাই সফলেই হোৱা নাছিল—মহিলাৰ সুপ্ত প্ৰতিভাক জাগ্ৰত কৰি সময়ৰ খোজত মহিলাসকলক আগবঢ়াই নিয়াতো অগ্ৰগণী ভূমিকা লৈছিল। ১৯৩৯ খৃঃত

জ্যোতিপ্ৰসাদে "ইন্দ্ৰমালতী" নামে আন এখন কথাছবি উলিয়ায়। ইয়াৰ উপৰি তেওঁ "জয়মতী" আৰু "শোণিত কুঁৱৰী" নাটবো গ্ৰামোফোন ৰেকৰ্ড কৰিছিল। ইতিমধ্যে ১৯৩৬ চনত দেৱযানী ভূঞাৰ সৈতে জ্যোতিপ্ৰসাদৰ শুভ পৰিণয় সম্পন্ন হৈছিল।

ছাত্ৰ অৱস্থাৰ পৰাই জ্যোতিপ্ৰসাদে 'গল্প' 'কবিতা' 'নাটক' আদি লিখিব লৈছিল। এই লিখনিবোৰৰ মাজত তেওঁৰ মৌলিক চিন্তা তথা সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় পোৱা যায়। মাত্ৰ ১৪ বছৰ বয়সতে জ্যোতিপ্ৰসাদে "শোণিত কুঁৱৰী" নামৰ নাটকখন লিখি উলিয়ায়। তেওঁৰ ৰচিত আন নাটকসমূহ হ'ল -"কাৰেঙৰ লিগিৰী", "ৰূপালীম", "নিমাতী কইনা", "সোণপখিলী", "লভিতা", "খনিকৰ", "কনকলতা" আৰু "সুন্দৰ কোঁৱৰ"।' নাটকৰ উপৰিও তেওঁ বহুতো গল্প, কবিতা, উপন্যাস আৰু ভালেমান চিন্তা গধুৰ প্ৰবন্ধ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তোলে। শিশু মনৰ বিকাশৰ বাবে তেওঁ এলানি শিশু-সাহিত্যও ৰচনা কৰে। ইংৰাজী, বঙলা আৰু হিন্দী ভাষাতো তেওঁৰ লিখনি প্ৰকাশ পাইছিল। সঙ্গীতকাৰ আৰু বিশিষ্ট সুৰকাৰ ৰূপেও জ্যোতিপ্ৰসাদে অনন্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। তেওঁৰ গীতসমূহৰ সুৰৰ লগত যেন অসমীয়া সমাজ আৰু সংস্কৃতিৰ বৰ্ণাঢ্য ৰূপটো একাত্মক হৈ আছে। তেওঁৰ ৰচিত দেশ প্ৰেমমূলক গীতসমূহেও ভাৰতৰ স্বাধীনতা আন্দোলনত জন-সাধাৰণক জাগ্ৰত কৰি তোলাত বিশেষ অৰিহণা যোগাইছিল।

জ্যোতিপ্ৰসাদ ভাৰতৰ মুক্তি আন্দোলনৰ এজন অন্যতম সংগ্ৰামীও আছিল। পৰাধীনতাৰ শিকলি ছিঙি দেশক স্বাধীন কৰিবলৈ তেওঁ ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগদান কৰাৰ কাৰণে কাৰাবৰণ কৰি সশ্ৰম কাৰাদণ্ড ভুগিছিল। ১৯৪২ খৃঃ ৰ আন্দোলনত যোগদান কৰি তেওঁ অসমত গণ আন্দোলন তীব্ৰতৰ কৰি তুলিছিল। এই আন্দোলনৰ কালছোৱাত তেওঁ কিছুদিন আত্ম গোপনো কৰিব লগা হৈছিল। পাছত অৱশেষ আদালতত গৈ তেওঁ নিজে ধৰা দিছিল। আদা-লতত তেওঁৰ বিৰুদ্ধে কোনো প্ৰমাণ নোপোৱাত খালাচ কৰি দিয়ে। জীৱনৰ শেষৰ ফালে জ্যোতি-প্ৰসাদৰ কংগ্ৰেছৰ প্ৰতি মোহ ভঙ্গ হৈছিল আৰু তেওঁ মাৰ্ক্সবাদৰ প্ৰতি আকৃষ্ট হৈছিল। কিছুদিনৰ বাবে মাৰ্ক্সবাদী সকলৰ দ্বাৰা আয়োজিত গণ-নাট্য সংঘৰ সভাপতিও হৈছিল।

১৯৪৪ খৃঃত তেওঁ কেইমাহ মানৰ কাৰণে "দৈনিক অসমীয়া"ৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিছিল। এই সময়ত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ বাবে হোৱা আন্দোলনত আগ ভাগ লৈছিল আৰু বিশ্ববিদ্যালয়ৰ নক্সা এটি আঁকি দিছিল। অত্যধিক পৰিশ্ৰমৰ কাৰণে ইতিমধ্যে জ্যোতিপ্ৰসাৰ স্বাস্থ্য ভাগি পৰিছিল। সেয়ে তেওঁ সম্পাদনাৰ দায়িত্বৰ পৰা অব্যাহতি লৈ ডিব্ৰুগড়ৰ তামোলবাৰী চাহ-বাগানত থাকিবলৈ লৈছিল। ১৯৪৯ খৃঃত সাতোটি সন্তানক এৰি তেওঁৰ পত্নী দেৱযানীয়ে ইহলীলা ত্যাগ কৰিলে। জ্যোতিপ্ৰসাদৰ বাবে এই শোক মৰ্মান্তিক হ'ল। দুৰাৰোগ্য কৰ্কট ৰোগত ভুগি থকা তেৱোঁ আৰু বেছিদিন

বাচি নাথাকিল। মাত্র ৪৮ বছৰ বয়সতে ১৯৫১ চনৰ ১৭ জানুৱাৰীৰ দিনা তেওঁ নৰ তনু ত্যাগ কৰি স্বৰ্গগামী হ'ল।

জ্যোতিপ্ৰসাদ আগৰৱালৰ মহা-প্ৰয়াণ ঘটা আজি বহু বছৰ অতীত হ'ল। কিন্তু অসমৰ জাতীয় তথা সাংস্কৃতিক জীৱনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰি সুৰ আৰু সমন্বয়ৰে অসমীয়া সংস্কৃতিক নৱৰূপত প্ৰতিষ্ঠিত কৰিব বিচৰা সুন্দৰৰ সাধক এই মহান শিল্পী গৰাকী ৰাইজৰ মাজত যেন আজি মৰিও অমৰ হৈ আছে বিশ্ব—জনতাৰ জয় গান গাবলৈ—

"জনতা তোৰ প্ৰাণবো প্ৰাণত
মনবো মনত,
শিল্পী যে মই
লুকাই লুকাই আছোঁ।"

[ প্ৰবন্ধটি যুগুত কৰোঁতে অসমত প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত "জ্যোতিপ্ৰসাদ ৰচনাৱলীৰ" সহায় লোৱা হৈছে। ]

"আজি জনতাৰ নবীন চেতনা বিয়পি জাগে সেই পোহৰত জগতৰ জনে নতুন জীৱন মাগে। সেই চেতনাৰ সংঘাত লাগি ভাঙিছে শতাব্দীৰ দুস্কৃতিৰ যত দুৰ্ভেদ্য প্ৰাচীৰ।"

—জ্যোতিপ্ৰসাদ।